# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
**Headlines**

-------------------

১। অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰ ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ।

২। ৰাজ্যৰ পৰা অবৈধ বাংলাদেশীক ঘূৰাই পঠাবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ কনাড পুৰকায়স্থ আৰু অগপৰ প্ৰাৰ্থী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ মনোনয়ন পত্ৰ দাখিল।

৪। মেঘালয়ত দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা মধ্যপ্ৰদেশৰ ৰাজা ৰঘুবংশীৰ হত্যাৰ অভিযোগত পত্নীসহ তিনিগৰাকী অভিযুক্তক গ্ৰেপ্তাৰ। *আৰু*

৫। আন্তঃজিলা বক্সিং প্ৰতিযোগিতাৰ জুনিয়ৰ ল'ৰাৰ শাখাত কামৰূপ আৰু ছোৱালীৰ শাখাত মাজুলীৰ শ্ৰেষ্ঠ দলৰ সন্মান লাভ।

০০০০০

অসম বিধানসভাই ডিব্ৰুগড় বিমান বন্দৰৰ নাম ভাৰতৰত্ন ড° ভূপেন হাজৰিকা বিমান বন্দৰ, ডিব্ৰুগড় নামেৰে নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াইছে। আজি দিছপুৰত অনুষ্ঠিত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশনত পৰিবহণ মন্ত্ৰী যোগেন মহনে এই সন্দৰ্ভত উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো সদনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সদনত সংকল্প প্ৰস্তাৱ উত্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য মন্ত্ৰীসভাই এই সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তমৰ্মে এই সংকল্প প্ৰস্তাৱটো উত্থাপন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অগপৰ নেতা তথা কৃষি মন্ত্ৰী অতুল বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ডিব্ৰুগড়ৰ বিধায়ক তথা শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনকে ধৰি শাসক-বিৰোধী উভয় পক্ষৰ সকলো বিধায়কে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

আজি অনুষ্ঠিত অধিৱেশনৰ আৰম্ভণিতে প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদ আৰু সাম্প্ৰতিক বান আৰু খহনীয়াত জীৱন হেৰুওৱা লোকসকলৰ লগতে জম্মু-কাশ্মীৰৰ পেহেলগাম আক্ৰমণত মৃত্যু হোৱা লোকসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱা হয়। সদনৰ শূন্যকালত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা আৰু এ আই ইউ ডি এফৰ বিধায়ক আশ্ৰাফুল হুছেইনে অবৈধ বাংলাদেশী ঘূৰাই পঠিওৱা বিষয়টো সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰশ্নৰ উত্তৰত কয়, যে ৰাজ্যৰ পৰা অবৈধ বাংলাদেশীক ঘূৰাই পঠাবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। অবৈধ নাগৰিকৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অবৈধ বিদেশী চিনাক্ত আৰু বিতাড়ণ কৰিবলৈ জিলা আয়ুক্তক ১৯৫০ চনৰ আইন অনুসৰি ক্ষমতা প্ৰদান কৰা হৈছে।

বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বৰদুৱাৰ চাহ বাগিচাক অন্তৰ্ভুক্ত কৰি প্ৰস্তাৱিত পলাশবাৰী ছেটেলাইট টাউনশ্বিপৰ বিষয়টো উত্থাপন কৰে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে গোৱালপাৰাৰ লক্ষীপুৰৰ উচ্ছেদ সন্দৰ্ভত কৰা প্ৰশ্নৰ মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ে। ৰাক্ষসিনী পাহাৰৰ ভূমি সন্দৰ্ভত বিধায়ক শ্বেৰমান আলীয়ে প্ৰশ্ন উত্থাপন কৰে। আজিৰ এই এদিনীয়া অধিৱেশনত জলজীৱন মিছন সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি অসম বিধানসভাৰ বিশেষ অধিৱেশনত ড০ ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড় বিমান বন্দৰটো নামকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰাত ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। ভাৰতৰত্ন বঁটাপ্ৰাপক সংগীতশিল্পী ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা বিমান বন্দৰটোত অধিক বিমান সেৱা সংযোগ কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী কনাড পুৰকায়স্থ আৰু অগপৰ প্ৰাৰ্থী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই মনোনয়ন পত্ৰ দাখিল কৰে। দুয়োগৰাকী প্ৰাৰ্থীয়ে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, অগপৰ সভাপতি অতুল বৰা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে।

ইপিনে বিৰোধী দল কংগ্ৰেছে এই নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়োৱা নাই। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত থকা বুলি দলটোৱে প্ৰকাশ কৰিছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনেই শাসকীয় মিত্ৰজোঁটৰ দখলত আছে। বিৰোধীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব নিদিয়াৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট কৰিছে। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত উকলি যাব।

০০০০০

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ সুস্থিৰ হৈছে আৰু যোৱা ২৪ ঘণ্টাত বানৰ ফলত কোনো প্ৰাণহানি, বিশেষ ক্ষয়-ক্ষতি আৰু ভূমিস্খলনৰ তথ্য পোৱা হোৱা নাই। অৱশ্যে ১১খন জিলাৰ ৭৪১খন গাঁৱৰ প্ৰায় ৩ লাখ লোক এতিয়াও বানৰ কবলত আছে। ৰাজ্যত বছৰটোৰ প্ৰথমটো বানত ২৩ জন লোকে প্ৰাণ হেৰুৱায়। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৩০টা আশ্ৰয় শিবিৰত প্ৰায় ২৫ হাজাৰ লোকে আশ্ৰয় লৈ আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰই প্ৰকাশ কৰিছে। শ্ৰীভূমি জিলাত বান পৰিস্থিতিৰ কিছু উন্নতি হৈছে যদিও এতিয়াও বহুলোক বানৰ কবলত আছে। বিভিন্ন স্থানত বানত ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদানৰ কাম অব্যাহত আছে। ইয়াৰ অংশ হিচাপে আজি জিলাখনৰ কনিশাইল পেটেল নগৰৰ ৮ নম্বৰ ৱাৰ্ডত সাহায্য-সামগ্ৰী বিতৰণ কৰা হৈছে।

০০০০০

যোৱা ২৩ মে'ত মেঘালয় ভ্ৰমণৰ বাবে আহি দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা মধ্যপ্ৰদেশৰ ইন্দোৰৰ ৰাজা ৰঘূবংশীৰ হত্যাৰ অভিযোগত তেওঁৰ পত্নী সোনম ৰঘূবংশীৰ লগতে আন তিনিজন অভিযুক্তক মেঘালয় আৰক্ষীৰ সহযোগত উত্তৰ প্ৰদেশ আৰক্ষীয়ে যোৱা নিশা গ্ৰেপ্তাৰ কৰে। উত্তৰ প্ৰদেশ আৰক্ষীৰ ওচৰত সোনম ৰঘূবংশীয়ে আত্মসমৰ্পণ কৰাৰ পাছত আজি ৰাজ্যখনৰ উপমুখ্যমন্ত্ৰী প্ৰেষ্টন টিনচঙে মেঘালয় আৰক্ষীৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰিছে। সংবাদ মেলত উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ

কৰা মতে আৰক্ষীয়ে আন এজন অভিযুক্তৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। আটাইকেইজন অভিযুক্তকে সোধা-পোছাৰ বাবে শ্বিলঙলৈ অনা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। একাংশ সংবাদমাধ্যমে এই ঘটনাৰ সবিশেষ তদন্ত হোৱাৰ পূৰ্বে মেঘালয় অপৰাধৰ কেন্দ্ৰস্থল হৈ পৰা বুলি বাতৰি পৰিৱেশন কৰাটো দুৰ্ভাগ্যজনক বুলি শ্ৰী টিনচঙে মন্তব্য কৰে। ইয়াৰ ফলত ৰাজ্যখনৰ ভাবমূৰ্তি নষ্ট হৈছে বুলিও তেওঁ উল্লেখ কৰে। সাময়িক উত্তেজনাৰ বশৱৰ্তী হৈ একাংশই বিবেচনাহীন ভাবে এনে মন্তব্য কৰা বুলি তেওঁ উল্লেখ কৰে। শ্ৰী টিনচঙে সন্ধানহীন পৰ্যটক দম্পত্তিৰ সন্ধানত অভিযান চলোৱাত সক্ৰিয় ভূমিকা লোৱা আৰক্ষী, ছোহৰাৰ বাসিন্দাসকল, বিশেষ তদন্তকাৰী দল, এছ্ ডি আৰ এফ, এন ডি আৰ এফ, পৰ্বতাৰোহী ক্লাব, স্থানীয় টেক্সি চালককে ধৰি সকলো লোকৰ শলাগ লয়। তেওঁ কয়, যে ৰাজ্যখনৰ চৰকাৰে এই ঘটনাৰ তদন্তৰ ক্ষেত্ৰত জড়িতসকলক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে। সংবাদমেলত আৰক্ষী অধীক্ষক বিবেক চিয়েমে প্ৰকাশ কৰা মতে ৰাজা ৰঘুবংশীক ২৩ মে'ত হত্যা কৰি অভিযুক্ত কেইজনে পলায়ন কৰিছিল। এই ঘটনাত সোনম আৰু ৰাজ কুছৱাহাক মূল অভিযুক্ত বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। উল্লেখযোগ্য যে, ৰাজা ৰঘুবংশীৰ গলিত মৃতদেহ দুই জুনত ছোহৰাৰ এটা জলপ্ৰপাতৰ সমীপত উদ্ধাৰ কৰা হৈছিল।

ooooo

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ শিতানত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ যাত্ৰা আৰু এসময়ত আওহতীয়া অঞ্চল বুলি অবহেলিত উত্ত-পূব যোগাযোগ আৰু প্ৰগতিৰ ক্ষেত্ৰত নিদৰ্শন হৈ পৰাৰ বিষয়টো আলোকপাত কৰিবলৈ লোৱা হৈছে। --- **ভইচ** ––

ooooo

ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই ৰাজ্যত গৰমৰ প্ৰকোপ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ বিদ্যালয়সমূহলৈ কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি বিদ্যালয়সমূহত প্ৰাতঃ সভা নিৰাপদ আৰু ছাঁ থকা ঠাইত কৰাৰ লগতে প্ৰতিটো শ্ৰেণীত এখন বেঞ্চত তিনিগৰাকী শিক্ষাৰ্থী বহাৰ ব্যৱস্থা কৰা, প্ৰতিটো শ্ৰণীকোঠাৰ সন্মুখত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা, আধা ঘণ্টাৰ মূৰে মূৰে শিক্ষাৰ্থীসকলক পানী খাবলৈ দিয়া, শ্ৰেণীকোঠাসমূহত বৈদ্যুতিক ফেনৰ ব্যৱস্থা কৰা, ইউনিফৰ্মৰ ক্ষেত্ৰত কিছু শিথিল ব্যৱস্থা কৰা, স্বাস্থ্যজনিত কিবা সমস্যাই দেখা দিলে অভিভাৱকক অৱগত কৰোৱাৰ লগতে তাৎক্ষণিকভাৱে চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰা আৰু বিদ্যালয়ৰ সমীপত ফাষ্টফুড আৰু শীতল পানীয় বিক্ৰীৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই অনুমতি নিদিয়াকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে।

ooooo

বিটিআৰ প্ৰশাসনে আজি কোকৰাঝাৰ জিলাৰ শিলবাৰী খেলপথাৰত এখন হিতাধিকাৰী সন্মিলন তথা আৰ্থ সামাজিক সজাগতা কাৰ্যসূচীৰ আয়োজন কৰে। বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা সম্পৰ্কত হিতাধিকাৰীসকলক সজাগ কৰাৰ লগতে তৃণমূল পৰ্যায়ৰ পৰা সমাজত এনে আঁচনিসমূহৰ প্ৰভাৱ সন্দৰ্ভত তথ্য সংগ্ৰহ কৰাৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কেইবাগৰাকী কাৰ্যবাহী সদস্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সঞ্চালকৰ লগতে কেইবাগৰাকী শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী বড়োৱে বি টি আৰ প্ৰশাসনে সৰ্বসাধাৰণ লোকৰ জীৱনৰ মান উন্নীত কৰাৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে।

ooooo

বিশ্বনাথ জিলাৰ বালিচাং পঞ্চায়তত আজি বিকশিত কৃষি সংকল্প অভিযানৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত হয়। কৃষি বিজ্ঞান কেন্দ্ৰ শোণিতপুৰৰ উদ্যোগত আৰু যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়, ভাৰতীয় কৃষি গৱেষণা পৰিষদসহ আন কেইবাটাও বিভাগৰ সহযোগত আয়োজন কৰা সভাখনত বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে সজাগ কৰা হয়। আধুনিক প্ৰযুক্তিৰ দ্বাৰা কৃষকসকল কেনেকৈ অধিক লাভান্বিত হ'ব পাৰিব, সেই বিষয়েও কৃষকসকলক অৱগত কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্তৰ লগতে বিশ্বনাথ কৃষি বিশ্ববিদ্যালয়ৰ ডীনসহ আন কেইবাজনো কৃষি বিষয়া উপস্থিত থাকে।

বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ধেমাজি জিলাৰ নাহৰবাৰী, কচুতলি, গোগামুখ আৰু মিংমাং গাঁও পঞ্চায়তত সজাগতা সভা অনুষ্ঠিত হয়। ধেমাজিৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীৰ দুটাকৈ দলে মুঠ ৪ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৫১ খন গাঁৱৰ এহেজাৰ ৪২৯ গৰাকী কৃষকক বিভিন্ন আঁচনিৰ বিষয়ে সজাগ কৰে।

ooooo

কামৰূপ জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ উদ্যোগত তথা কৃষক মৰ্চাৰ সহযোগত আজি উত্তৰ কামৰূপ ভিত্তিত কৃষক সজাগতা সভা এখন অনুষ্ঠিত হয়। কামৰূপ সংহত জিলা কাৰ্যালয়ত অনুষ্ঠিত এই সভাত উত্তৰ কামৰূপৰ ১৫০ গৰাকী আদৰ্শ কৃষকক সম্বৰ্ধনা জনোৱা হয়। কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সভাপতিত্ব কৰা সভাখনত বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য উপস্থিত থাকে। সভাখনত ৰাজ্যৰ কৃষকসকলৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহৰ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়।

ooooo

অইল ইণ্ডিয়া অনুসূচীত জনজাতি কৰ্মচাৰীৰ কল্যাণ সমিতিয়ে মেধাবী ছাত্ৰ-ছাত্ৰীৰ পৰা জলপানীৰ বাবে আবেদন বিচাৰিছে। অইল অধ্যুষিত এলেকাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কমেও ৮৮ শতাংশ বা চাৰিটা বিষয়ত লেটাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিব পাৰিব। ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ লগতে অৰুণাচল প্ৰদেশৰ অইল অধ্যুষিত এলেকাৰ ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিব পাৰিব। আবেদন পত্ৰৰ লগত স্ব-স্বাক্ষৰিত মাৰ্কশ্বিট, পাছ ছাৰ্টিফিকেট, জাতিগত প্ৰমাণ পত্ৰ, স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰৰ প্ৰতিলিপি আৰু একপি ফটো আবেদনৰ লগত গাথি দিব লাগিব। আবেদনসমূহ মেইলযোগে অহা ১৫ জনৰ ভিতৰত OISTEWA.OIL @ GMAIL. Com ত পঠিয়াব পাৰিব। অধিক তথ্যৰ বাবে ৭০০০২৬৫৭৭১০ নম্বৰত যোগাযোগ কৰিবলৈ সমিতিৰ সম্পাদক ঋতুৰাজ বৰাই অনুৰোধ জনাইছে।

ooooo

হোজাইৰ নখুঁটিত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। দুখন মটৰ চাইকেলৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো ঘটে। দুৰ্ঘটনা সংঘটিত হোৱাৰ কিছু সময় পাছতে নখুঁটি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আঘাটপ্ৰাপ্ত লোকজনক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে প্ৰেৰণ কৰে যদিও লোকজনক চিকিৎসকে মৃত ঘোষণা কৰে। নিহত ব্যক্তিগৰাকী আব্দুল লতিফ বুলি আৰক্ষীয়ে প্ৰকাশ কৰাৰ লগতে ঘটনা সংক্ৰান্তত তদন্ত আৰম্ভ কৰিছে।

ooooo

ডিব্ৰুগড় জিলাৰ ব্যক্তিগত চেনেলৰ সাংবাদিক হোমেন ফুকনক ৰবীন শইকীয়া সোণোৱালৰ সোঁৱৰণত যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হ'ব। সোণোৱাল-কছাৰী ছাত্ৰ সন্থাই জনগোষ্ঠীয় সংগ্ৰামী নেতা

তথা লেখক ৰবীন শইকীয়াৰ সোঁৱৰণত এই বঁটা আগবঢ়াব। অহা ১৪ জুনত জিলা সাহিত্য সভা ভৱনত হ'বলগীয়া সভাত সাংবাদিক হোমেন ফুকনক বঁটাটি প্ৰদান কৰা হ'ব।

ooooo

ধেমাজি নগৰবাসীক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ লক্ষ্যৰে ধেমাজি পৌৰসভাই আজি এখন পানী কঢ়িওৱা বাহনৰ ব্যৱস্থা কৰিছে। বাহনখনৰ জৰিয়তে নগৰবাসী আৰু বিভিন্ন সভা-সমিতিত পানী যোগানৰ ব্যৱস্থা কৰা হ'ব। বিশুদ্ধ খোৱাপানী যোগানৰ বাবে আগতীয়াকৈ ধেমাজি পৌৰসভা কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ পৌৰসভা কৰ্তৃপক্ষই নগৰবাসীক আহ্বান জনাইছে।

ooooo

বাক্সা জিলাৰ অঞ্চলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৃপেন দাসৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনত প্ৰায় ১০০ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

ooooo

অসম এমেচাৰ বক্সিং সন্থাৰ সহযোগত গুৱাহাটীৰ উলুবাৰীত অনুষ্ঠিত সদৌ অসম আন্তঃজিলা বক্সিং প্ৰতিযোগিতাৰ জুনিয়ৰ ল'ৰাৰ শাখাত কামৰূপ আৰু ছোৱালীৰ শাখাত মাজুলী শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। আজি অনুষ্ঠিত জুনিয়ৰ ছোৱালীৰ ৪২ ৰ পৰা ৪৬ কিলোগ্ৰাম ওজন শাখাত মনিকা দলে, ৪৬ৰ পৰা ৪৮ কিলোগ্ৰাম ওজন শাখাত গীতালি পেগু, ৪৮ৰ পৰা ৫০ কিলোগ্ৰাম ওজন শাখাত অঞ্জুৱাৰা ছুলতানা, ৫০ৰ পৰা ৫৪ কিলোগ্ৰাম ওজন শাখাত নমিতা সিং, ৫৪ৰ পৰা ৫৭ কিলোগ্ৰাম ওজন শাখাত তাৰাশা পেগু, ৫৭ৰ পৰা ৬০ কিলোগ্ৰাম ওজন শাখাত পুংবিলি, ৬৬ৰ পৰা ৭০ কিলোগ্ৰাম ওজন শাখাত ৰামৰি কাথাৰ আৰু ৭৫ৰ পৰা ৮০ কিলোগ্ৰাম ওজন শাখাত জয়শ্ৰী ডেকা চেম্পিয়ন হয়।

ইপিনে জুনিয়ৰ ল'ৰাৰ বিভিন্ন ওজন শাখাত প্ৰিণ্ট গোৱালা, লক্ষ্যজিৎ চুতীয়া, জেবেল বড়ো, আয়ান আহমেদ, জয়ান বড়ো, কিশোৰজিৎ খাউণ্ড, আয়ুষ্মান গগৈ, আৰমান খান, অমৃত লামা, দেবাংগ অপূৰ্ব দাস, আশীষ মুখীয়া আৰু সমীৰ বৰুৱাই সোণৰ পদক অৰ্জন কৰে।

ooooo

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰৰ এন ডি এ চৰকাৰে ১১ বছৰ পূৰ্ণ কৰিবলৈ ওলাইছে। এই সময়ছোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল খণ্ডত লাভ কৰা সফলতা সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা চাৰে ৮ বজাত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

সমাপ্ত